জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২৬/২০২০

নামৰূপ ৰিপ্লেচমেণ্ট থাৰ্মেল পাৱাৰ প্লাণ্ট আৰু অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ মিথানল আৰু ফৰ্মেলডিহাইড প্ৰকল্পস্থলী পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# মে' মাহৰ শেষৰ পিনে ৰাইজৰ সেৱাত উৎসৰ্গিত হ'ব নামৰূপ ৰিপ্লেচমেণ্ট থাৰ্মেল পাৱাৰ প্লাণ্ট

## এই বছৰৰ ডিচেম্বৰ মাহৰ ভিতৰতে মুকলি হ'ব অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ মিথানল আৰু ফৰ্মেলডিহাইড প্ৰকল্প

ঔদ্যোগিক খণ্ডৰ কাম-কাজ ত্বৰান্বিত কৰাত বিদ্যুৎ হৈছে অন্যতম চালিকা শক্তি ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ এপ্ৰিল ঃ** ৰাজ্যৰ শক্তিখণ্ড শক্তিশালীকৰণৰ দিশত এক আশাব্যঞ্জক প্ৰতিচ্ছবি কঢ়িয়াই এই বছৰৰ মে' মাহৰ শেষত ১০০ মেগাৱাট শক্তিসম্পন্ন নামৰূপ ৰিপ্লেচমেণ্ট থাৰ্মেল পাৱাৰ প্লাণ্টৰ সেৱা জনসাধাৰণৰ বাবে উৎসৰ্গিত হ'ব। আজি ডিব্ৰুগড় জিলাৰ নামৰূপত প্ৰকল্পস্থলী পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক এই কথা এপিজিচিএল কৰ্তৃপক্ষই অৱগত কৰে। এই প্ৰকল্পৰ সেৱা আৰম্ভ হ'লে নামৰূপ তাপবিদ্যুৎ প্ৰকল্পৰ উৎপাদন ক্ষমতা ১২৭ মেগাৱাটলৈ বৃদ্ধি হ'ব।

আজি নামৰূপ থাৰ্মেল পাৱাৰ ষ্টেচনস্থিত সভাকক্ষত এই ৰিপ্লেচমেণ্ট প্লাণ্টৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে এপিজিচিএল কৰ্তৃপক্ষক মে' মাহৰ শেষত নিশ্চিতভাৱে এই প্ৰকল্প ৰাইজলৈ উৎসৰ্গিত কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰকল্পৰ আধাৰশিলা প্ৰায় এটা দশকৰ পূৰ্বে স্থাপন কৰা হৈছিল যদিও প্ৰাৰম্ভিক পৰ্যায়ত ইয়াৰ কাম-কাজ বৰ লেহেমীয়া গতিত আগবাঢ়িছিল। মুখ্যমন্ত্ৰীয়ে এপিজিচিএল কৰ্তৃপক্ষক প্ৰকল্পটো ৰাইজলৈ উৎসৰ্গিত কৰাৰ সময়সীমা কোনো কাৰণতে যাতে ব্যাহত নহয়, তাৰ বাবে প্ৰকল্পটোৰ ৰূপায়ণৰ দায়িত্বত থকা ভাৰত হেভি ইলেক্ট্ৰিকেল লিমিটেডক এই সম্পৰ্কত নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। এই প্ৰকল্পটোৰ লেহেমীয়া গতিৰ বাবে মুখ্যমন্ত্ৰীয়ে বিগত বৰ্ষৰ ২৬ ছেপ্তেম্বৰৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰাৰ সময়তো ভাৰত হেভি ইলেকট্ৰিকেল লিমিটেড কৰ্তৃপক্ষক প্ৰকল্পটো সময় সাপেক্ষভাৱে ৰূপায়ণৰ নিশ্চিত পদক্ষেপ লোৱাৰ বাবে আহ্বান জনাইছিল।

ঔদ্যোগিক খণ্ডৰ কাম-কাজ কাৰ্যক্ষম তথা ত্বৰান্বিত কৰাৰ বাবে বিদ্যুৎ শক্তি এক অন্যতম চালিকা শক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে শক্তি প্ৰকল্পৰ কাম-কাজৰ দ্ৰুত ৰূপায়ণত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰাটো প্ৰয়োজনীয় বুলি কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ন'ভেল কৰ'না ভাইৰাছে সৃষ্টি কৰা ৰাষ্ট্ৰজোৰা লক্-ডাউনৰ ফলত ব্যাহত হোৱা আমাৰ অৰ্থনৈতিক ব্যৱস্থাটোক পুনৰ শক্তিশালীকৰণৰ বাবে ঔদ্যোগিক বিকাশত আমি গুৰুত্ব প্ৰদান কৰিব লাগিব।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আজিৰ এই প্ৰকল্পস্থলী পৰিদৰ্শনৰ সময়ত এপিডিচিএলৰ অধ্যক্ষ বিনোদ কুমাৰ পিপাৰচেনীয়া, পৰিচালন সঞ্চালক কল্যাণী বৰুৱা, বিধায়কসকল ক্ৰমে বলীন চেতিয়া, বিমল বৰা, তেৰচ গোৱালা, নৰেন সোণোৱাল আৰু ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা আৰু আৰক্ষী অধীক্ষক টি শ্ৰীজিথো উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নামৰূপস্থিত অসম পেট্ৰ'কেমিকেল লিমিটেডৰ বৰ্তমানে নিৰ্মাণৰত ৫০০ টিপিডি শক্তিসম্পন্ন মিথানল আৰু ২০০ টিপিডি শক্তিসম্পন্ন ফৰ্মেলডিহাইড প্ৰকল্প পৰিদৰ্শন কৰি ইয়াৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। এই সম্পৰ্কে অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ সভাকক্ষত অনুষ্ঠিত হোৱা এক পৰ্যালোচনামূলক বৈঠকত অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ অধ্যক্ষ বিকুল চন্দ্ৰ ডেকাই এই প্ৰকল্প এই বছৰৰ ডিচেম্বৰ মাহৰ ভিতৰত ৰাইজৰ সেৱাৰ বাবে উৎসৰ্গিত হ'ব বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। ইয়াৰ ফলত অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ ৰাজহ বহু পৰিমাণে বৃদ্ধি পাব বুলিও অধ্যক্ষগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

এই পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰীয়ে অসম পেট্ৰ'কেমিকেলছ্ লিমিটেডৰ সভাকক্ষত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেচন লিমিটেডৰ বিষয়াবৰ্গৰ সৈতে বৰ্তমানে কাৰ্যক্ষম হৈ থকা ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেচন লিমিটেডৰ তৃতীয় গোটৰ উৎপাদনৰ কাম-কাজৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনামূলক বৈঠকত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেচন লিমিটেডৰ বিষয়াবৰ্গই এই প্ৰকল্পৰ দ্বিতীয় গোটৰ পুনৰুজ্জীৱিতকৰণ আৰু তৃতীয় গোটৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ বাবে কেমিকেল এণ্ড ফাৰ্টিলাইজাৰ মন্ত্ৰালয়ে প্ৰয়োজনীয় পদক্ষেপ লৈ আছে বুলিও মুখ্যমন্ত্ৰীক অৱগত কৰে।

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাসায়নিক সাৰৰ ব্যাপক চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেচন লিমিটেডৰ চতুৰ্থ গোট স্থাপন কৰাটো অতিশয় জৰুৰী বুলি উল্লেখ কৰি ৰাজ্য চৰকাৰে এই গোট কাৰ্যক্ষম কৰাৰ দিশত কেন্দ্ৰীয় মন্ত্ৰালয়ৰ সৈতে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**সুঃমিঃকঃ / বীঃগঃ / বঃভাঃ**
**৩০/৪/২০২০**